**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। দিল্লীৰ লালকিল্লাৰ সমীপত কালি সন্ধিয়া সংঘটিত এটা শক্তিশালী বোমা বিস্ফোৰণত ৮ গৰাকী লোকৰ মৃত্যু হৈছে।

২। বিহাৰ বিধানসভাৰ ১২২টা সমষ্টিত দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ কিছুমুহূৰ্তৰ পূৰ্বে আৰম্ভ হৈছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি এংগোলাৰ ৫০ সংখ্যক স্বাধীনতা দিৱস কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ ৰাওনা হ'ব। ***আৰু***

৫। ভাৰতৰ শীৰ্ষ পৰ্যায়ৰ খেলুৱৈ লক্ষ্যসেন আৰু এইচ এছ প্ৰণয়ে জাপানত আজি আৰম্ভ হ'বলগীয়া কুমাম'ত' মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত দেশক নেতৃত্ব দিব।

০০০০০

দিল্লীৰ লালকিল্লাৰ সমীপত কালি সন্ধিয়া সংঘটিত এটা শক্তিশালী বোমা বিস্ফোৰণত ৮ গৰাকী লোকৰ মৃত্যু হয়। এখন বাহনত সংস্থাপিত এটা বোমা বিস্ফোৰণৰ ফলত হোৱা এই ঘটনা সন্দৰ্ভত অনুসন্ধান চলাই থকা হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। শক্তিশালী এই বিস্ফোৰণটোত অন্য চাৰিখন বাহনৰ ক্ষতি হোৱাৰ লগতে কেইবাজনো পথচাৰী আৰু অট'ৰিক্সাৰ যাত্ৰী আঘাতপ্ৰাপ্ত হয়। শ্ৰীশ্বাহে কয়, যে দিল্লী আৰক্ষী, ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা বাহিনী তথা ফৰেনচিকৰ দলে ঘটনাৰ বিস্তৃত অনুসন্ধান চলাই আছে আৰু এই সন্দৰ্ভত সোনকালেই নিশ্চিত তথ্য লাভ কৰিব।

দিল্লীৰ আৰক্ষী আয়ুক্ত সতীশ গোলচাই কয়, যে লালকিল্লা মেট্ৰ' ষ্টেচনৰ সমীপত ধীৰ গতিৰে অহা এখন বাহনৰ পৰাই এই বিস্ফোৰণ সংঘটিত হয়। এই সন্দৰ্ভত দিল্লী আৰক্ষীয়ে কেইবাটাও ধাৰাৰ অধীনত এটা গোচৰ ৰুজু কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিস্ফোৰণৰ ঘটনাৰ বুজ লোৱাৰ লগতে এই সন্দৰ্ভত গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে বাৰ্তালাপ কৰে। শ্ৰীশ্বাহে বিস্ফোৰণ সংঘটিত স্থান পৰিদৰ্শন কৰে আৰু আহত লোকসকলক এল এন জে পি হাস্পতালত সাক্ষাৎ কৰি স্বাস্থ্যৰ বুজ লয়। বিস্ফোৰণ সন্দৰ্ভত ব্যাপক অনুসন্ধান চলোৱা হ'ব বুলিও তেওঁ ভুক্তভোগী লোকসকলক আশ্বাস দিয়ে।

এল এন জে পি হাস্পতালৰ অধীক্ষকগৰাকীয়ে কয়, যে এই ঘটনাত আঘাতপ্ৰাপ্ত ১৫ জন লোকক হাস্পতাললৈ লৈ অহা হৈছিল যদিও ইয়াৰে ৮ গৰাকী লোকৰ ইতিমধ্যে মৃত্যু হৈছে। তিনিগৰাকীৰ অৱস্থা অতি গুৰুতৰ আৰু এগৰাকী আঘাতপ্ৰাপ্ত লোকৰ স্বাস্থ্য বৰ্তমান স্বাভাৱিক বুলি অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

দিল্লীৰ লালকিল্লাৰ সমীপত কালি সন্ধিয়া সংঘটিত এটা শক্তিশালী বোমা বিস্ফোৰণৰ ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালৰ প্ৰতি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সমবেদনা প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে এই ঘটনাত আঘাতপ্ৰাপ্ত লোকসকলৰ আশু আৰোগ্য কামনা কৰিছে।

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ড০ এল মুৰুগানে এই বোমা বিস্ফোৰণত জীৱন হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰিছে। তেওঁ লগতে হাস্পতালত চিকিৎসাধীন হৈ থকা আহত লোকসকলৰ আশু আৰোগ্য কামনা কৰিছে।

দিল্লীত সংঘটিত কালিৰ বোমা বিস্ফোৰণৰ ঘটনাৰ সন্দৰ্ভত কেইবাখনো বিদেশী ৰাষ্ট্ৰ আৰু ভাৰতত থকা সেই দেশসমূহৰ দূতাবাসে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইৰাণৰ দূতাবাসে এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে ভাৰত চৰকাৰ আৰু ভাৰতৰ জনসাধাৰণৰ প্ৰতি সমবেদনা প্ৰকাশ কৰিছে। এই শোকাৱহ ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি দূতাবাসৰ ফালৰ পৰা এই জটিল সময়ত মনৰ শক্তি নেহেৰুৱাবলৈ আহ্বান জনায়।

ভাৰতত থকা আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰদূত মাৰিয়ানো আগাষ্টিন ক'চিনোৱে বিস্ফোৰণত মৃত্যু হোৱা লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰদূতগৰাকীয়ে মৃত্যু হোৱা লোকসকলৰ পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা প্ৰকাশ কৰাৰ লগতে আহত সকলৰ আশু আৰোগ্য কামনা কৰে।

জাপানাৰ ৰাষ্ট্ৰদূত আৰু ভাৰতত থকা ব্ৰিটিছ্ উচ্চ আয়ুক্তৰ কাৰ্যালয়ৰ ফালৰ পৰাও দিল্লীত সংঘটিত বোমা বিস্ফোৰণৰ ঘটনাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ দুখ আৰু পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

০০০০০

বিহাৰ বিধানসভাৰ ১২২টা সমষ্টিত দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ কিছুমুহূৰ্তৰ পূৰ্বে আৰম্ভ হৈছে। ৰাজ্যখনৰ ২০ খন জিলাত ৩ কোটি ৭০ লাখৰো অধিক ভোটদাতাই আজি এহেজাৰ ৩০২ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ইয়াৰ ভিতৰত ১৩৪ গৰাকী মহিলা প্ৰাৰ্থীও আছে। ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত সামৰণি পৰিব যদিও ৭টা সমষ্টিত নিৰাপত্তা সম্পৰ্কীয় বিষয়ৰ বাবে বিয়লি ৫ বজাত ভোটগ্ৰহণ সমাপ্ত হ'ব। এই পৰ্যায়ত ভাৰত-নেপাল সীমান্তৰ সমষ্টিসমূহৰ লগতে মগধ, ক'চি, মিথিলাঞ্চল, সীমাঞ্চল আদিত ভোটগ্ৰহণ কৰা হৈছে। পূব আৰু পশ্চিম চম্পাৰণ জিলাৰ লগতে মধুবনী, সীতামৰ্হি, ছুপাৱল, কিষাণগঞ্জ, পুৰ্ণিয়া, কাটিহাৰ, ভগলপুৰ, গয়া, ঔৰাংগাবাদকে ধৰি জিলাসমূহতো ভোটগ্ৰহণ আৰম্ভ হৈছে। ৪৫ হাজাৰটা কেন্দ্ৰত অনুষ্ঠিত ভোটগ্ৰহণৰ সমগ্ৰ প্ৰক্ৰিয়া ৱেবকাষ্টিং কৰাৰ ব্যৱস্থা কৰা হৈছে।

উল্লেখযোগ্য যে ৰাজ্যখনত যোৱা ৬ নৱেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত প্ৰায় ৬৫ শতাংশ ভোটদাতাই ভোটদান কৰিছিল। অহা ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

০০০০০

সাতখন ৰাজ্যৰ ৮টা বিধানসভা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। উপ-নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটা হৈছে- জম্মু-কাশ্মীৰৰ বুদগাম আৰু নাগ্ৰোতা, ৰাজস্থানৰ আন্তা, ঝাৰখণ্ডৰ ঘাটছিলা, তেলেংগানাৰ জুবিলি হিলছ, পাঞ্জাবৰ তাৰ্ন তাৰান, মিজোৰামৰ দাম্পা আৰু ওড়িশাৰ নোৱাপাড়া সমষ্টি। বিহাৰ বিধানসভা নিৰ্বাচনৰ সমান্তৰালভাৱে অহা ১৪ নৱেম্বৰত এই সমষ্টিকেইটাৰ ভোটগণনা কৰা হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি এংগোলাত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত বিনিময় কৰে। এংগোলাত বাস কৰা ভাৰতীয় সমূদায়ৰ প্ৰায় ৮ হাজাৰ লোকে দেশখনৰ অৰ্থনৈতিক বিকাশত বিশেষ অৰিহণা আগবঢ়াই আহিছে। ভাৰত আৰু এংগোলাৰ মাজত বাণিজ্য, বিনিয়োগ তথা জনসাধাৰণৰ মাজত সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ সম্ভাৱনীয়তাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে এইক্ষেত্ৰত দেশখনৰ ভাৰতীয় সমুদায়ক আগভাগ ল'বলৈ আহ্বান জনায়। তেওঁলোক ভাৰতীয় বৈচিত্ৰ্যতা তথা সাংস্কৃতিক ঐতিহ্যৰ প্ৰতিনিধিৰূপে দুয়ো দেশৰ মাজত সম্পৰ্ক গাঢ় কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে বুলিও ৰাষ্ট্ৰপতিয়ে মন্তব্য কৰে। তেওঁ লগতে তেওঁলোকক শিপাৰ সৈতে সংযুক্ত থাকি দেশখনত ভাৰতীয় সংস্কৃতিক সন্মানেৰে সৈতে জীয়াই ৰখাৰ বাবে ধন্যবাদ জনায়।

আজি শ্ৰীমতী মুৰ্মু এংগোলাৰ লুৱাণ্ডাত দেশখনৰ ৫০ সংখ্যক স্বাধীনতা দিৱস কাৰ্যসূচীত উপস্থিত থাকিব। উল্লেখযোগ্য যে এই বৰ্ষৰ মে' মাহত এংগোলাৰ ৰাষ্ট্ৰপতি জুৱাও লৰেংকোৱে নতুন দিল্লী ভ্ৰমণ কৰি শ্ৰীমতী মুৰ্মুক এই কাৰ্যসূচীত উপস্থিত থাকিবলৈ আমন্ত্ৰণ জনাইছিল।

বিয়লিৰ ভাগলৈ ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু তিনিদিনীয়া ভ্ৰমণসূচীৰে ব'টছ্'ৱানালৈ ৰাওনা হ'ব। শ্ৰীমতী মুৰ্মুৱে ব'টছ্'ৱানাৰ ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যাব। দেশ দুখনৰ মাজৰ পাৰস্পৰিক সহযোগিতা তথা বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে শ্ৰীমোদীয়ে এই ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত শ্ৰীমোদী আৰু ভূটানৰ ৰজা জিগমে খেছৰ নামগিয়াল ৱাংছুকে এহেজাৰ ২০ মেগাৱাট উৎপাদন ক্ষমতা সম্পন্ন পুনাত্‌ছাংছু-টু জলবিদ্যুৎ প্ৰকল্প মুকলি কৰিব। এই প্ৰকল্প ভাৰত আৰু ভূটানে যুঁটীয়াভাৱে বিকশাই তুলিছে। প্ৰধানমন্ত্ৰীয়ে লগতে ভূটানৰ চতুৰ্থ ৰজা জিগমে ছিংগ্যে ৱাংছুকৰ ৭০ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উপৰি দেশখনৰ প্ৰধানমন্ত্ৰী ছেৰিং টোবগেক সাক্ষাৎ কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্ব শান্তি প্ৰাৰ্থনা মহোৎসৱত ভাগ ল'ব আৰু থিম্ফুৰ টাশ্বিছোদ্‌জোঙত বুদ্ধৰ পৱিত্ৰ অৱশেষৰ পূজা-অৰ্চনা কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সহযোগিতা অধিক সুদৃঢ় কৰাৰ উপৰি পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক তথা বিভিন্ন বিষয় সন্দৰ্ভত মত বিনিময় কৰাৰ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ভাৰতৰ শীৰ্ষ পৰ্যায়ৰ খেলুৱৈ লক্ষ্যসেন আৰু এইচ এছ্ প্ৰণয়ে জাপানত আজি আৰম্ভ হ'বলগীয়া কুমাম'ত' মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত দেশক নেতৃত্ব দিব। অলিম্পিক ছেমি ফাইনেলিষ্ট লক্ষ্যই স্থানীয় তাৰকা খেলুৱৈ ক'কি ৱাটানাবেৰ বিৰুদ্ধে আৰু প্ৰণয় মালয়েছিয়াৰ লিয়ং জুন হাওৰ বিৰুদ্ধে নিজৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। পুৰুষৰ একক শাখাত আয়ুষ চেট্টি, কিৰণ জৰ্জ আৰু থাৰুণ মন্নেপল্লীয়েও ভাৰতক প্ৰতিনিধিত্ব কৰিব। মহিলাৰ একক শাখাত ১৭ বছৰীয়া নাইছা কৌৰে যোগ্যতা নিৰ্ণয়কাৰী এখন খেলত আজি ভাগ ল'ব। মিক্সড ডাবলছত ৰোহন কাপুৰ আৰু ৰুত্বিকা শিৱানী গড্ডেই প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। অৱশ্যে পুৰুষৰ দ্বৈত শাখাত ভাৰতৰ কোনো খেলুৱৈয়ে অংশগ্ৰহণ কৰা নাই।

০০০০০

সমাপ্ত